# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 25-06-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

১৯৭৫ চনত দেশত জৰুৰী অৱস্থা ঘোষণাৰ ৫০ বছৰ পূৰ্ণ হোৱা দিনটো আজি দেশত সংবিধান হত্যা দিৱস হিচাপে পালন কৰা হৈছে। সেই সময়ত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে জৰুৰী অৱস্থা ঘোষণা কৰি সমগ্ৰ দেশতে ৰাজনৈতিক দলৰ নেতা-কৰ্মী, সাংবাদিক, শ্ৰমিক-সংগঠনৰ নেতাকে ধৰি প্ৰায় ডেৰ লাখ লোকক কাৰাৰুদ্ধ কৰিছিল আৰু সংবাদ মাধ্যমৰ স্বাধীনতা বিলুপ্ত কৰিছিল। ভাৰতীয় জনতা পাৰ্টী আৰু ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘকে ধৰি ভালেমান সংগঠনে আজি অসমতো সংবিধান হত্যা দিৱসৰ আয়োজন কৰিছে। এই দিৱসত দেশৰ সাংবিধানিক পৰম্পৰা আৰু বাক স্বাধীনতা যাতে কোনোপধ্যেই খৰ্ব নহয়, সেইক্ষেত্ৰত কাম কৰি যাবলৈ সকলো সংকল্পবদ্ধ হয়।

দেশৰ আন অংশৰ লগতে অসমতো আজি সংবিধান হত্যা দিৱস পালন কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীত  এই দিৱসত অংশ লৈ কংগ্ৰেছৰ জৰুৰীকালীন অৱস্থাৰ ৫০ বছৰ পাছতো একে ধৰণৰ মানসিকতা বিকশিত হৈ আছে আৰু সময়ে সময়ে এই মানসিকতা পৰিলক্ষিত হৈ আহিছে বুলি মন্তব্য কৰে। তেওঁ কয় যে জৰুৰীকালীন অৱস্থাৰ ক'লা অধ্যায় জনসাধাৰণে পাহৰা উচিত নহয় আৰু ভৱিষ্যতে যাতে ইয়াৰ পুনৰাবৃত্তি হ'ব নোৱাৰে তাৰ বাবে সচেতন হোৱা উচিত। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে এসময়ত সংবিধান হত্যা কৰা পৰিয়ালে পৰিয়ালে আজি সংবিধান ৰক্ষাৰ কথা ক'বলৈ লৈছে। কংগ্ৰেছৰ কোনো এটাই জৰুৰীকালীন অৱস্থাৰ বাবে ক্ষমা খোজা নাই বুলি তেওঁ উল্লেখ কৰে।

০০০০০

গুৱাহাটীৰ নীলাচল পাহাৰত অৱস্থিত শক্তিপীঠ কামাখ্যা মন্দিৰত অম্বুবাচী মহাযোগৰ কাইলৈ পুৱা সামৰণি পৰিব। পুৱা ৩ বাজি ২৭ মিনিটত অম্বুবাচীৰ নিবৃত্তিৰ পাছত দেৱীস্নান, নিত্য পূজা অন্তত মন্দিৰৰ মূল দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰা হ'ব। কামাখ্যা ধামত আজি চতুৰ্থ দিনাও ভক্তৰ উখল-মাখল পৰিৱেশ অব্যাহত আছে। সাধু-সন্ন্যাসী আৰু দেশী-বিদেশী হাজাৰ বিজাৰ ভক্তৰ উপস্থিতিত মন্দিৰস্থলীত আধ্যাত্মিক পৰিৱেশে বিৰাজ কৰিছে।

মহাযোগৰ সময়ছোৱাত যাতে ভক্তসকলে কোনোধৰণৰ অসুবিধাৰ সন্মুখীন নহয় তাৰ বাবে আৰক্ষী প্ৰশাসনে পৰিস্থিতি তদাৰক কৰি আছে।

০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে গুৱাহাটী মহানগৰৰ সাতগাঁও হাইস্কুলত আজি অত্যাধুনিক ছাত্ৰী প্ৰসাধন আৰু অনাময় গৃহ মুকলি কৰে। এই হাইস্কুলৰ পৰাই শিক্ষামন্ত্ৰী ডাঃ পেগুৱে অনলাইনৰ জৰিয়তে ১৮ খন শিক্ষানুষ্ঠানত নিৰ্মাণ কৰা অত্যাধুনিক প্ৰসাধন আৰু অনাময় গৃহ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই

অনুষ্ঠানত ভাষণ দি শিক্ষামন্ত্ৰী ডাঃ পেগুৱে কয়, যে মোবাইল টাৱাৰ সংযোগ কৰা এটা প্ৰতিষ্ঠানৰ সামাজিক দায়বদ্ধ আঁচনিৰ ধনেৰে এই গৃহ নিৰ্মাণ কৰা হৈছে।

০০০০০

কামৰূপ মহানগৰৰ জিলা মহিলা আৰু শিশু বিকাশ বিভাগৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত আজি ৪৪১ গৰাকী অংগনবাড়ী কৰ্মীৰ মাজত মোবাইল ফোন বিতৰণ কৰা হয়। ডিজিটেল ব্যৱস্থাৰ সৈতে ফেৰ মাৰি অংগনৱাড়ী কৰ্মীসকলক নিজৰ কাম নিয়াৰিকৈ সম্পাদন কৰাৰ কাৰ্যত সহায়ক হোৱাৰ উদ্দেশ্যে এই ফোনসমূহ বিতৰণ কৰা হয়। গুৱাহাটীৰ লতাশিলত অৱস্থিত বিষ্ণু-নিৰ্মলা ভৱনত আয়োজিত এই সভাত বিধায়কদ্বয় ৰমেন্দ্ৰ নাৰায়ণ কলিতা আৰু সিদ্ধাৰ্থ ভট্টাচাৰ্য উপস্থিত থাকে। এই সভাতেই প্ৰতিটো অংগনৱাড়ী কেন্দ্ৰকেই আদৰ্শ অংগনৱাড়ী কেন্দ্ৰলৈ ৰূপান্তৰ কৰিবলৈ বিভাগে লোৱা পদক্ষেপৰ বিষয়তো আলোকপাত কৰা হয়। কামৰূপ মহানগৰ জিলাৰ ভাৰপ্ৰাপ্ত সমাজকল্যাণ বিষয়াৰ ভাষণেৰে শুভাৰম্ভ হোৱা এই সভাত পুষ্টিহীনতাত ভোগা শিশু আৰু গৰ্ভৱতী মহিলাৰ বাবে বিভাগে বিশেষ ব্যৱস্থা লোৱাৰ কথাও সদৰি কৰা হয়।

০০০০০

ৰাজ্যৰ প্ৰতিখন জিলাৰ লগতে দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ সৰ্বাত্মক উন্নয়নৰ উদ্দেশ্যে অতিৰিক্ত মুখ্য সচিব ড০ বল্লেপু কল্যাণ চক্ৰৱৰ্তী আজি জিলাখনত উপস্থিত হয়। ড০ চক্ৰৱৰ্তীয়ে জিলাখনৰ টুমনি এলেকাত কেইবাখনো চৰকাৰী আঁচনি পৰ্যবেক্ষণ কৰাৰ পাছত জিলা সদৰ হাটশিঙিমাৰীৰ ফেকামাৰী খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত জিলাখনৰ বিভিন্ন সমস্যা সন্দৰ্ভত আলোচনা কৰে। ইয়াৰ পাছত অতিৰিক্ত মুখ্য সচিবগৰাকী মানকাচৰলৈ ৰাওনা হয়। তেওঁ জিলাখনৰ প্ৰতিটো সমস্যা সমাধানৰ বাবে প্ৰতিবেদন প্ৰস্তুত কৰি জিলা উন্নয়নৰ বাবে মুখ্যমন্ত্ৰীৰ ওচৰত প্ৰতিবেদন দাখিল কৰিব বুলি জানিবলৈ দিয়ে।

০০০০০

কাছাৰৰ বিশেষ ন্যায়াধীশ বিপ্ৰজিৎ ৰায়ে মাদক দ্ৰব্য সৰবৰাহত জড়িত দুজন মিজো যুৱকক ১০ বছৰৰ কাৰাদণ্ড দিয়ে। ইয়াৰে এজন মিজোৰামৰ আইজল ভেনচাকৰ বাসিন্দা জোছেফ লালনুনমাওয়া আৰু আনজন হৈছে আইজল তুইকোৱাল নৰ্থৰ এফ লালমংগাইজোৱালা বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে ২০২৩ চনত শিলচৰ বিমান বন্দৰত মেথামফেটামাইন সৰবৰাহ কৰি থকা অৱস্থাত দুয়োগৰাকী লোকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল।

০০০০০

ভাৰতীয় মহাকাশচাৰী শুভাংশু শুক্লাক মহাকাশলৈ লৈ যোৱা AXIOM-4 অভিযান আজি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ফ্লৰিডাৰ কেনেডি মহাকাশ কেন্দ্ৰৰ পৰা প্ৰেৰণ কৰা হয়। অভিযানত অন্তৰ্ভুক্ত চাৰিগৰাকী মহাকাশচাৰী ফেলকন নাইন ৰকেটৰ সহায়ত স্পেচ এক্স ড্ৰেগন মহাকাশ যানেৰে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰলৈ বুলি ৰাওনা হয়। আমেৰিকাৰ কামাণ্ডাৰ পেইগি হুইটছনে এই অভিযানত নেতৃত্ব বহন কৰিছে। ভাৰতীয় বায়ুসেনা বাহিনীৰ গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাক এই অভিযানৰ মিছন পাইলট আৰু হাংগেৰীৰ তিব'ৰ কাপু আৰু প'লেণ্ডৰ স্লাৱেজ উজনানস্কি ৱিচনিউস্কিক বিশেষজ্ঞ হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০

সমাপ্ত